# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৃষি, গ্ৰামাঞ্চলৰ সমৃদ্ধি, নগৰীয়া বিকাশ আৰু নিৰন্তৰ সংস্কাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটক দেশৰ প্ৰগতিৰ পৰিৱৰ্তনকামী পদক্ষেপ বুলি অভিহিত কৰিছে।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে কাইলৈ বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব।

৪। ছত্তীশগড়ৰ বিজাপুৰ জিলাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৮ জন মাওবাদী নিহত হৈছে।

**আৰু**

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি মুম্বাইত খেলোৱা হ'ব।

ooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৃষি, গ্ৰামাঞ্চলৰ সমৃদ্ধি, নগৰীয়া বিকাশ আৰু নিৰন্তৰ সংস্কাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। সংসদত বাজেট উত্থাপন কৰাৰ পাছত নতুন দিল্লীত কালি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে বাজেটত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰা সন্দৰ্ভত ভালেমান ব্যৱস্থাৰ কৰা উল্লেখ কৰা হৈছে। তেওঁ কয়, যে সংস্কাৰৰ ছটা নিৰ্দিষ্ট বিষয়ৰ কথা বাজেটত উল্লেখ কৰা হৈছে আৰু চৰকাৰে সংস্কাৰৰ কাৰ্যসূচী অব্যাহত ৰাখিব। বাজেটত স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ স্বাৰ্থৰ প্ৰতি অগ্ৰাধিকাৰ দিয়া হৈছে বুলি শ্ৰীমতী সীতাৰমণে প্ৰকাশ কৰে। তেওঁ, কয় যে জনসাধাৰণৰ মতামতৰ প্ৰতি সঁহাৰি জনাই যোৱা জুলাইত ঘোষণা কৰা আয়কৰ সৰলিকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত অহা সপ্তাহত সংসদত নতুন আয়কৰ বিধেয়ক উত্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয়, যে শুল্কব্যৱস্থা সৰলীকৰণ কৰা হৈছে অথবা হ্ৰাস কৰা হৈছে। তেওঁ লগতে কয়, যে কৰ ৰেহাই সীমা ৭ লাখৰ পৰা ১২ লাখলৈ বৃদ্ধি কৰাৰ ফলত এক কোটিৰো অধিক লোক উপকৃত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক দেশৰ প্ৰগতিৰ পৰিৱৰ্তনকামী পদক্ষেপ বুলি অভিহিত কৰিছে। এই বাজেটে বিকশিত ভাৰতৰ লক্ষ্যৰ প্ৰতি দেশৰ যাত্ৰাক ত্বৰান্বিত কৰিব বুলিও তেওঁ উল্লেখ কৰে। এই বাজেটে কৃত্ৰিম বুদ্ধিমত্তা, পুতলা নিৰ্মাণ, কৃষি, জোতা-চেণ্ডেল, খাদ্য প্ৰসংস্কৰণকে ধৰি বিভিন্ন ক্ষেত্ৰত বহনক্ষম উন্নয়ন তথা উদ্ভাৱন আৰু উদ্যমিতাৰ পথ প্ৰশস্ত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এই বাজেটত ১৪০ কোটি জনতাৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতিফলন ঘটিছে। বাজেট সম্পৰ্কত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে দেশৰ বিকাশৰ যাত্ৰাৰ বাবে এইবাৰৰ বাজেটক এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলিও অভিহিত কৰিছে। তেওঁ কয়, যে এই বাজেট প্ৰতিগৰাকী ভাৰতীয়ৰ সপোন পূৰণ কৰিছে। তেওঁ লগতে এই বাটেজে সঞ্চয়, বিনিয়োগ, সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে দেশৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

এই বাজেটে বছৰি ১২ লাখ টকাকৈ উপাৰ্জন কৰা ব্যক্তিৰ ক্ষেত্ৰত আয়কৰ দিব নালাগে বুলি ঘোষণা কৰিছে। এই ঘোষণাই দেশৰ মধ্যবিত্ত শ্ৰেণীক উপকৃত কৰিব বুলি তেওঁ উল্লেখ কৰে। এই বাজেটে কৃষি খণ্ডৰ সৰলীকৰণেৰে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত সহায় কৰিব বুলিও তেওঁ কয়। দেশৰ উদ্যমীসকলৰ লগতে, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক সৰল কৰাৰ ক্ষেত্ৰত এই বাজেটে গুৰুত্ব দিছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বাজেটত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৰলীকৰণৰ উদ্দেশ্যে এটা সৰ্বাত্মক দৃষ্টিভংগী প্ৰতিফলিত হৈছে। প্ৰতিৰক্ষা খণ্ডত দেশক আত্মনিৰ্ভৰশীল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বাস্তৱায়িত কৰাৰ দিশত কেন্দ্ৰীয় বাজেটে গুৰুত্ব আৰোপ কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰতিৰক্ষা মন্ত্ৰালয়লৈ ছয় লাখ ৮১ হাজাৰ কোটি টকা আৱণ্টন কৰা বুলি তেওঁ প্ৰকাশ কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বাজেটে ৰাজ্যৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে উদ্যোগীসকলৰ বাবে নতুন সম্ভাৱনা কঢ়িয়াই আনিছে বুলি উল্লেখ কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত মুখ্যমন্ত্ৰীয়ে জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ পাছত, নামৰূপত প্ৰায় ১৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প স্থাপনৰ কথা ঘোষণা কৰা হৈছে বুলি উল্লেখ কৰে। প্ৰায় ১০ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে ৰাজ্যত প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি সাৰ উৎপাদন কৰাত এই প্ৰকল্পই সহায় কৰাৰ লগতে বহু লোকক সংস্থাপনৰ সুবিধা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে কাইলৈ বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। প্ৰচাৰ অভিযানৰ সামৰণিৰ দিব চমু চাপি অহাৰ লগে লগে ৰাজনৈতিকত দলসমূহে ভোটদাতাসকলৰ মন জয় কৰাৰ প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। বিভিন্ন দলৰ শীৰ্ষ নেতাসকলে দলীয় প্ৰাৰ্থীসকলৰ হকে সমৰ্থন আদায়ৰ বাবে ইখনৰ পিছত সিখনকৈ নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত ভাগ লৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি আৰ কে পুৰমত দলৰ হৈ প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে ৰাজিন্দৰ নগৰ, চান্দনী চ'ক আৰু লক্ষ্মী নগৰত প্ৰচাৰ অভিযানত ভাগ ল'ব। বিজেপিৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কালি দিল্লীৰ বিভিন্ন স্থানত দলৰ হৈ প্ৰচাৰ চলাই আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালে আন্না হাজাৰেৰ

আন্দোলনৰ সময়ত ৰাজনৈতিক দল গঠন নকৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ বুলি অভিযোগ তোলে। তেওঁ লগতে আম আদমী পাৰ্টীৰ চৰকাৰ সুৰা নীতি আৰু জল বোৰ্ড কেলেংকাৰীকে ধৰি হাজাৰ হাজাৰ কোটি টকাৰ কেলেংকাৰীত জড়িত বুলিও দাবী কৰে।

কংগ্ৰেছ নেতা অজয় মাকেনে আজি দিল্লীত এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি সদৰবাজাৰত এখন নিৰ্বাচনী সভাত অংশ লৈ দেশে ঘৃণা আৰু হিংসা তথা মৰম-ভালপোৱা আৰু ভাতৃত্ববোধৰ আদৰ্শৰ যুঁজ প্ৰত্যক্ষ কৰা বুলি দাবী কৰে। কংগ্ৰেছ সংবিধানৰ সুৰক্ষাৰ প্ৰতি বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ৰাদ্ৰায়ো কালি চান্দনী চ'কৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

দিল্লী বিধানসভাৰ ৭০ টা সমষ্টিৰ আটাইকেইটাতে ৮৫ বছৰ আৰু ইয়াৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলে ঘৰৰ পৰাই ভোটদানৰ সুবিধা ব্যাপকভাৱে গ্ৰহণ কৰিছে। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াই এটা বিবৃতিযোগে যোৱা ৩১ জানুৱাৰীলৈকে ঘৰৰে পৰা ভোটদান সুবিধাৰ বাবে পঞ্জীকৃত মুঠ ভোটদাতাৰ ৯২ শতাংশই ভোটদান কৰা বুলি প্ৰকাশ কৰিছে। ইয়াৰে ভিতৰত পাঁচ হাজাৰ ৯৮২ গৰাকী জ্যেষ্ঠ আৰু ৯৯৮ গৰাকী দিব্যাংগ ভোটাৰ আছে। ২৪ জানুৱাৰীত আৰম্ভ হোৱা এই সেৱা নিয়মীয়া ভোটগ্ৰহণৰ এদিন পূৰ্বলৈ অৰ্থাৎ মঙলবাৰলৈ উপলব্ধ হ'ব।

দিল্লী বিধানভাৰ বাবে বুধবাৰে ভোটগ্ৰহণ কৰা হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

ooooo

ছত্তীশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত ৮ জন মাওবাদী নিহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে জিলাখনৰ গংগলুৰ এলেকাত কেইজনমান মাওবাদী আত্মগোপন কৰি থকা বুলি সন্তেদ লাভ কৰাৰ পাছত সুৰক্ষা বাহিনীৰ এটা যৌথ দলে চলোৱা তালাচী অভিযানৰ সময়ত হোৱা গুলীয়াগুলীত এই মাওবাদীকেইজন নিহত হয়। সংঘৰ্ষস্থলিৰ পৰা ৮জন মাওবাদীৰ মৃতদেহ আৰু বিপুল পৰিমাণৰ গুলীবাৰুদ উদ্ধাৰ কৰা হৈছে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত ৰাজ্যৰ শিল্পীসকলে হস্তশিল্প আৰু কুটীৰ শিল্পজাত সামগ্ৰী প্ৰদৰ্শনৰ এখন শক্তিশালী মঞ্চ লাভ কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, কুম্ভমেলাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এখন জিলা, এবিধ সামগ্ৰী প্ৰদৰ্শনীত ৰাজ্যখনৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শিত কৰা হৈছে। এই প্ৰদৰ্শনীত উত্তৰ প্ৰদেশৰ ভৌগোলিক সূচক জি আই টেগ লাভ কৰা ৭৫ বিধ সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে।

ooooo

ছুডানৰ ৰাজধানী খাৰ্তুমৰ উত্তৰ প্ৰান্তৰ ওমদুৰমানৰ এখন ব্যস্ত বজাৰত কালি ৰেপিড ছাপোৰ্ট অৰ্ধসামৰিক বাহিনীয়ে চলোৱা গুলীবৰ্ষণত কমেও ৪৫ জন অসামৰিক লোকে প্ৰাণ হেৰুৱাই আৰু অন্য ৮২ জন আহত হয়। অল থাওৱা প্ৰতিৰোধ সমিতি নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে অৰ্ধসামৰিক বাহিনীয়ে কৰাৰী এলেকাৰ ছবৰিন বজাৰত ইচ্ছাকৃতভাৱে গুলীবৰ্ষণ কৰি এই গণহত্যা সংঘটিত কৰা বুলি প্ৰকাশ কৰিছে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ৩-১ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰে যদিও ইংলেণ্ডে তৃতীয়খন খেলত বিজয় সাব্যস্ত কৰি শৃংখলাত প্ৰত্যাৱৰ্তনৰ চেষ্টা চলায়। অৱশ্যে চতুৰ্থখন খেলত সূৰ্য কুমাৰ নেতৃত্বাধীন ভাৰতীয় দলে ১৫ ৰানত জয়লাভ কৰি শৃংখলাৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে।

টি-২০ শৃংখলাৰ পাছত ভাৰত আৰু ইংলেণ্ডৰ মাজত তিনিখন এদিনীয়া খেল খেলোৱা হ'ব। এই তিনিখনীয়া শৃংখলাৰ প্ৰথমখন খেল বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। বাকী দুখন খেল ৯ আৰু ১২ ফেব্ৰুৱাৰীত খেলোৱা হ'ব।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰত আজি মালয়েছিয়াৰ কোৱালালামপুৰত হ'বলগীয়া মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দুপৰীয়া ১২ বজাত আৰম্ভ হ'ব।

ভাৰতে শুকুৰবাৰে চেমিফাইনেলত ইংলেণ্ডক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

হামাছে ইজৰাইলৰ সৈতে থকা যুদ্ধ বিৰতি চুক্তিৰ অধীনত কালি দক্ষিণ গাজা অঞ্চলত তিনিজন বন্দীক ৰেড ক্ৰছৰ হাতত অৰ্পণ কৰে। ২০২৩ বৰ্ষৰ ৭ অক্টোবৰত হামাছৰ নেতৃত্বত ইজৰাইলত হোৱা আক্ৰমণৰ সময়ত এই ব্যক্তিকেইগৰাকীক অপহৰণ কৰা হৈছিল। ইয়াৰ বিনিময়ত ইজৰাইলে ১৮০ জনতকৈও অধিক বন্দীক মুকলি কৰি দিব।

০০০০০

সমাপ্ত